**2014**

( May )

COMMERCE

( General/Speciality )

Course : 403

**( Auditing )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**1.** *(a)* তলৰ বিকল্পবোৰৰ পৰা শুদ্ধ উত্তৰটো লিখা : 1×5=5

Choose the correct answer from the alternatives given below :

*(i)* হিচাপ পৰীক্ষাৰ প্ৰধান উদ্দেশ্য হ'ল

Main object of auditing is

(1) ক্ৰটী বিচাৰি উলিওৱা

detection of errors

(2) লাভ-লোকচান হিচাপ আৰু উদ্বৃত্ত পত্ৰই কামকাজৰ শুদ্ধ আৰু সত্য ছবি দেখুৱাইছে নে নাই তাক নিৰ্ণয় কৰা

to find out whether P & L A/c and Balance Sheet show true and fair state of affairs

www.prepnext.com

(3) প্ৰৱঞ্চনা বিচাৰি উলিওৱা
detection of frauds

(4) ত্ৰুটী আৰু প্ৰৱঞ্চনা বিচাৰি উলিওৱা আৰু এইবোৰৰ সংঘটনত বাধাৰ সৃষ্টি কৰা
detection and prevention of frauds and errors

*(ii)* ধাৰাবাহিক হিচাপ পৰীক্ষা বিশেষভাৱে প্ৰয়োজন হয়
A continuous audit is specially needed for

(1) যি কোনো ব্যৱসায়িক প্ৰতিষ্ঠানত
any trading concern

(2) সৰু প্ৰতিষ্ঠানত
smaller concerns

(3) বেংকিং কোম্পানীত
banking companies

(4) যি কোনো উৎপাদনকাৰী প্ৰতিষ্ঠানত
any manufacturing concern

*(iii)* আভ্যন্তৰীণ হিচাপ পৰীক্ষকক নিয়োগ কৰে
Internal auditor is appointed by the

(1) পৰিচালনাই
Management

(2) অংশধাৰকসকলে
Shareholders

(3) চৰকাৰে
Government

(4) ওপৰৰ এটাও নহয়
None of the above



*(iv)* আভ্যন্তৰীণ হিচাপ পৰীক্ষাৰ উদ্দেশ্য হ'ল
The object of internal audit is

(1) ত্ৰুটী আৰু প্ৰৱঞ্চনাক বাধা দিয়া
to prevent errors and frauds

(2) ত্ৰুটী আৰু প্ৰৱঞ্চনা বিচাৰি উলিওৱা
to detect errors and frauds

(3) বিত্তীয় নিয়ন্ত্ৰণ উন্নত কৰা
to improve financial control

(4) ওপৰৰ আটাইকেইটা
All of the above

*(v)* মজুত পণ্যৰ মূল্যায়ন হোৱা উচিত
Stock should be valued at

(1) ব্যয়ৰ পৰিমাণত
cost

(2) বজাৰ দৰত
market price

(3) ব্যয়ৰ পৰিমাণ আৰু বজাৰ দৰৰ ভিতৰত যিটো কম, সেই মূল্যত
cost or market price whichever is lower

(4) ব্যয়ৰ পৰা অৱক্ষয় বাদ দি পোৱা পৰিমাণত
cost less depreciation

www.prepnext.com

(b) খালী ঠাই পূৰ কৰা : 1×3=3

Fill in the blanks :

(i) কোম্পানীৰ —— কর্তৃত্ব প্রদান কৰিলেহে ইয়াৰ অংশপত্রসমূহ পুনঃক্রয় প্রক্রিয়াৰে ঘূৰাই ল'ব পাৰে।

The company can buyback its shares only if it is authorised by its ——.

(ii) 1956 চনৰ কোম্পানী আইনৰ —— নং ধাৰাত হিচাপ পৰীক্ষকৰ প্রতিবেদন সম্পৰ্কীয় ব্যৱস্থাৱলীৰ উল্লেখ আছে।

Section —— of the Companies Act, 1956 has laid down reporting requirements for the auditor.

(iii) ভাৰতীয় সংবিধানে —— কার্যালয়ক দেশৰ সৰ্বোচ্চ হিচাপ পৰীক্ষা প্রতিষ্ঠান হিচাপে মর্যাদা প্রদান কৰিছে।

The Constitution of India has envisaged the office of the —— to be the Supreme Audit Institution in the country.

**2.** নিম্নোক্তসমূহৰ চমু টোকা লিখা (যি কোনো চাৰিটা) : 4×4=16

Write short notes on the following (any *four*) :

(a) প্রবঞ্চনা আৰু ভুল

Fraud and error

(b) কৰ হিচাপ পৰীক্ষা

Tax audit



(c) ধাৰাবাহিক হিচাপ পৰীক্ষা

Continuous audit

(d) নিয়মিত পৰীক্ষা

Routine checking

(e) হিচাপ পৰীক্ষাৰ আঁচনি

Audit programme

(f) লাভাংশৰ উৎসসমূহ

Sources of dividend

**3.** (a) এটা ব্যৱসায় প্রতিষ্ঠান দক্ষতাসম্পন্ন আৰু মিতব্যয়ীৰূপে পৰিচালিত কৰাত হিচাপ পৰীক্ষাৰ গুৰুত্ব সমালোচনাত্মক দৃষ্টিভংগীৰে পৰীক্ষা কৰা। বিভিন্ন ব্যৱহাৰকাৰী পক্ষৰ বাবে হিচাপ পৰীক্ষাৰ সুবিধাসমূহ ব্যাখ্যা কৰা। 5+6=11

Examine critically the role of auditing in the efficient and economical conduct of a business concern. Explain the advantages of audit to different user groups.

নাইবা / *Or*

(b) এক সুস্থ আভ্যন্তৰীণ প্রতিৰোধ ব্যৱস্থাৰ উদ্দেশ্য আৰু বিশেষত্বসমূহ উল্লেখ কৰা। আভ্যন্তৰীণ প্রতিৰোধ ব্যৱস্থা আভ্যন্তৰীণ নিয়ন্ত্রণ আৰু আভ্যন্তৰীণ হিচাপ পৰীক্ষাৰ পৰা কিদৰে পৃথক? 6+5=11

State the purpose and characteristics of a sound system of internal check. How does internal check differ from internal control and internal audit?

www.prepnext.com

**4.** *(a)* সম্পত্তি আৰু দায়সমূহ প্ৰমাণিতকৰণ মানে কি? মজুত সামগ্ৰীৰ মূল্যায়ন আৰু প্ৰমাণিতকৰণৰ বাবে এজন হিচাপ পৰীক্ষকৰ দায়িত্বসমূহ উল্লেখ কৰা। 4+7=11

What is verification of assets and liabilities? State the duties of an auditor regarding valuation and verification of stock-in-trade.

*নাইবা / Or*

*(b)* প্ৰমাণকৰ গুৰুত্ব ব্যাখ্যা কৰা। প্ৰমাণকৰ বিশ্বাসযোগ্যতা হ্ৰাস কৰা কাৰণসমূহ আলোচনা কৰা আৰু এই ক্ষেত্ৰত হিচাপ পৰীক্ষকে কেনে সতৰ্কতা অবলম্বন কৰা উচিত, ব্যাখ্যা কৰা। 3+4+4=11

Explain the significance of vouchers. Discuss the factors which affect the reliability of vouchers and explain what precautions should be taken by the auditor in this regard.

**5.** *(a)* 1956 চনৰ কোম্পানী আইন অনুসৰি হিচাপ পৰীক্ষকৰ নিযুক্তি আৰু পাৰিশ্ৰমিক সম্পৰ্কীয় ব্যৱস্থাৱলী আলোচনা কৰা। 8+4=12

Discuss the provisions of the Companies Act, 1956 regarding appointment and remunerations of the auditors.



www.prepnext.com

*নাইবা / Or*

*(b)* এটা সীমিত কোম্পানীৰ হিচাপ পৰীক্ষণৰ সময়ত তলত দিয়া বিষয়সমূহ কেনেদৰে পৰীক্ষা কৰিবা? 6+6=12

How will you examine the following items while auditing the accounts of a limited company?

*(i)* অগ্ৰাধিকাৰযুক্ত অংশৰ প্ৰত্যৰ্পণ

Redemption of preference shares

*(ii)* অংশ বাজেয়াপ্তকৰণ

Forfeiture of shares

**6.** *(a)* এটা শিক্ষানুষ্ঠানৰ হিচাপ পৰীক্ষাৰ ক্ষেত্ৰত হিচাপ পৰীক্ষকে বিবেচনা কৰিবলগীয়া বিশেষ বিষয়সমূহ আলোচনা কৰা। 11

Discuss the special points to be considered by the auditor in the audit of an educational institution.

*নাইবা / Or*

*(b)* অনুসন্ধান মানে কি? অনুসন্ধানৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা। 4+7=11

What is investigation? Discuss the characteristics of investigation.

**7.** *(a)* ব্যয় হিচাপ পৰীক্ষা মানে কি? ব্যয় হিচাপ পৰীক্ষা আৰু বিত্তীয় হিচাপ পৰীক্ষাৰ মাজত থকা পাৰ্থক্য আলোচনা কৰা। 4+7=11

What is a cost audit? Discuss the distinction between cost audit and financial audit.

*নাইবা / Or*

*(b)* বিধিবদ্ধ প্ৰতিবেদন বুলিলে কি বুজা? কোম্পানী (হিচাপ পৰীক্ষকৰ প্ৰতিবেদন) আদেশ, 2003 অনুসৰি হিচাপ পৰীক্ষকৰ সচৰ্ত প্ৰতিবেদন এখন প্ৰস্তুত কৰা। 4+7=11

What do you mean by a statutory report? Draw up a qualified audit report as per the Companies (Auditor's Report) Order, 2003.

★★★

www.prepnext.com